DAILY ASSAM

# ১৯। বাক্যৰ প্ৰকাৰ

১৯ ঃ ১ যি বাক্যই বক্তাৰ কোনো মনোভাব সম্পূৰ্ণকৈ ব্যক্ত কৰিব পাৰে, তেনে বাক্যকেই পূৰ্ণ বাক্য কোৱা হয়। কিন্তু যি বাক্যই আন এটি পূৰ্ণ বাক্যৰ ভাবৰ অংশ বিশেষহে ব্যক্ত কৰিব পাৰে, অকলে ভাবটো সম্পূৰ্ণকৈ প্ৰকাশ কৰিব নোৱাৰে, তেনে বাক্যকে অপ্ৰধান বাক্য বা তলতীয়া খণ্ডবাক্য কোৱা হয়। অপ্ৰধান বাক্য অকলে ব্যৱহাৰ হ'ব নোৱাৰে, মূল বা প্ৰধান বাক্যক অৰ্থপূৰ্ণ কৰাত সহায়ক হিচাপেহে ব্যৱহাৰ হয়।

**১৯ ঃ ২ খণ্ডবাক্য আৰু বাক্যাংশ (Clause and Phrases) ঃ**

(ক) কোনো এটা প্ৰধান বাক্যৰ অংশ স্বৰূপ কৰ্তা আৰু সমাপিকা ক্ৰিয়া থকা অথচ সম্পূৰ্ণ ৰূপে অৰ্থ প্ৰকাশ কৰিব নোৱাৰা অপ্ৰধান বাক্যকে খণ্ডবাক্য (Clause) কোৱা হয়। উদ্দেশ্য, বিধেয় থকাই এটা বাক্য, অথচ আন এটি বাক্যৰ সহায় নহ'লে পূৰ্ণ অৰ্থ প্ৰকাশ কৰিব নোৱাৰে। সেই বাবে সেই প্ৰধান বাক্যৰ তলতীয়া বাক্যক খণ্ডবাক্য কোৱা হয়।

বীণাই যে ব্যাকৰণ ভালকৈ জানে মই জনাই নাছিলোঁ।

ইয়াত প্ৰধান বাক্য – (১) মই জনাই নাছিলোঁ।

কি জনা নাছিলোঁ— উত্তৰত পাম (২) বীণাই যে ব্যাকৰণ ভালকৈ জানে।

এই বাক্যটোত উদ্দেশ্য, বিধেয় সকলো আছে, অথচ প্ৰধান বাক্যটোৰ (১) নং-অৰ তলতীয়া অপ্ৰধান বাক্য। ই অকলে ব্যৱহাৰ হ'ব নোৱাৰে। আৰু পূৰ্ণ অৰ্থ প্ৰকাশ কৰিব নোৱাৰে সেই বাবে ই অপ্ৰধান খণ্ডবাক্য।

(খ) বাক্যত ব্যৱহাৰ হোৱা কৰ্তা ক্ৰিয়া নথকা আৰু সম্পূৰ্ণ অৰ্থ প্ৰকাশ কৰিব নোৱাৰা পদ সমষ্টিক বাক্যাংশ (Phrases) বোলে। যথা— আঁঠুৱাৰ তলৰ মহ, আলাসৰ লাড়ু, একে নিমিষতে।

**খণ্ডবাক্য আৰু বাক্যাংশৰ মাজত পাৰ্থক্য**

১। খণ্ডবাক্য বাক্যৰ একোটি অংশ বিশেষ। মূল বাক্যটোৰ অৰ্থ সম্পূৰ্ণ কৰাত সহায় কৰে। বাক্যাংশও বাক্যৰ অংশ বিশেষ। বাক্যৰ অংশ বিশেষৰ অৰ্থ স্পষ্ট কৰি বাক্যটোৰ অৰ্থ প্ৰকাশত সহায়ক হয়।

২। খণ্ডবাক্যত কৰ্তা আৰু সমাপিকা ক্ৰিয়া থাকে, স্বৰূপাৰ্থত ই একোটা বাক্য ; কেৱল প্ৰধান বাক্যটোৰ তলতীয়া সহায়ক বাক্য। কিন্তু বাক্যাংশত কৰ্তা বা সমাপিকা ক্ৰিয়া নাথাকে ই বাক্য নহয়, বাক্য বিশেষৰ অংশ মাথোন।

৩। খণ্ডবাক্যত ব্যৱহাৰ হোৱা পদবোৰৰ সাধাৰণ অৰ্থই প্ৰকাশ পায়। কিন্তু বাক্যাংশ বহু সময়ত জতুৱা অৰ্থত ব্যৱহাৰ হয়। বাক্যাংশত থকা পদকেইটিৰ সাধাৰণ অৰ্থ নকৰি আন বিভিন্ন অৰ্থ প্ৰকাশ কৰিব পাৰে।

যেতিয়া বাপেক মৰিল তেতিয়াই বীণাই পঢ়িবলৈ এৰি দিলে।

'যেতিয়া বাপেক মৰিল'— খণ্ডবাক্য, 'বীণাই পঢ়িবলৈ এৰি দিলে' প্ৰধান বাক্যৰ তলতীয়া অপ্ৰধান খণ্ডবাক্য। কিন্তু

(১) বাপেক মৰিলত বীণাই পঢ়িবলৈ এৰি দিলে।

বা (২) বাপেকে চকু মুদিলত বীণাই পঢ়িবলৈ এৰিলে।

ওপৰৰ বাক্য দুটি (১) বাপেক মৰিলত (২) বাপেকে চকু মুদিলত— দুটা বাক্যাংশ।

বাক্যাংশ অৰ্থাৎ 'বাপেকে চকু মুদিলত' সাধাৰণ অৰ্থৰ চকু মুদা ভাব বুজোৱা নাই, জতুৱা ঠাঁচত 'মৰিলত' অৰ্থকেই বুজাইছে।

৪। বাক্যত ব্যৱহাৰ অনুযায়ী উভয়ে বিশেষ্য, বিশেষণ বা ক্ৰিয়া বিশেষণ হ'ব পাৰে। বাক্যাংশত কেতিয়াবা অব্যয়যুক্ত বাক্যাংশও হ'ব পাৰে।

### ১৯ ঃ ৩ খণ্ডবাক্যৰ ব্যৱহাৰ ঃ

অপ্ৰধান খণ্ডবাক্য প্ৰধান বাক্যৰ উদ্দেশ্য বা বিধেয়ৰ পূৰক, বিশেষ্য, বিশেষণ বা ক্ৰিয়া-বিশেষণ ৰূপে ব্যৱহাৰ হয়। সেই ফালৰপৰা খণ্ডবাক্যক তিনিটা ভাগত ভাগ কৰা হয়।

(ক) বিশেষ্য স্থানীয় খণ্ডবাক্য (Noun clause)

(খ) বিশেষণ স্থানীয় খণ্ডবাক্য (Adjective clause)

(গ) ক্ৰিয়া-বিশেষণ স্থানীয় খণ্ডবাক্য (Adverb clause)

**(ক) বিশেষ্য স্থানীয় খণ্ডবাক্য ঃ** যিবোৰ অপ্ৰধান বাক্যই প্ৰধান বাক্যত বিশেষ্য পদৰ দৰে কাম কৰে অৰ্থাৎ ক্ৰিয়াৰ লগত অন্বয় হৈ কৰ্তা বা কৰ্ম কাৰক আদিৰ দৰে ব্যৱহৃত হয় তাকে বিশেষ্য স্থানীয় খণ্ডবাক্য কোৱা হয়। যথা—

তাই যে ধুনীয়া ছোৱালী মই আজিহে দেখিলোঁ।

প্ৰধান বাক্য 'মই আজিহে দেখিলোঁ, 'দেখিলোঁ' ক্ৰিয়াৰ কৰ্ম হিচাপে অপ্ৰধান খণ্ডবাক্য। 'তাই যে ধুনীয়া ছোৱালী' ব্যৱহাৰ হৈছে। কৰ্ম কাৰক হোৱা বাবে খণ্ডবাক্যটো বিশেষ্য পদ। তেনেকৈ,.

দেউতা ক'লৈ গৈছে মই নাজানো।

তাই যে পৰীক্ষাত উত্তীৰ্ণ হ'ব তাত কোনো সন্দেহ নাই।

**(খ) বিশেষণ স্থানীয় খণ্ডবাক্য ঃ** প্ৰধান বাক্যৰ অন্তৰ্গত কোনো বিশেষ্য পদৰ গুণ, দোষাদি বা বিশেষ কৰি অপ্ৰধান খণ্ডবাক্যই দেখুৱায় তাকেই বিশেষণ স্থানীয় খণ্ডবাক্য বোলে। যথা—

কালি যিখন কিতাপ হেৰাইছিল আজি সেই কিতাপখন টেবুলতে পালোঁ। ইয়াত প্ৰধান বাক্যৰ 'পালোঁ', ক্ৰিয়াৰ কৰ্ম 'কিতাপখন'। কিতাপখনক বিশেষ কৰি বুজোৱা (কি কিতাপ?) উত্তৰত— কালি যিখন কিতাপ হেৰাইছিল— এই প্ৰধান বাক্যটো বিশেষণ স্থানীয় খণ্ডবাক্য। তেনেকৈ,

যি সদায় নিজৰ পাঠ পঢ়ে, তেৱেঁই উন্নতি কৰে।

যি আনৰ উপকাৰ নকৰে সি নিজৰো মংগল কৰিব নোৱাৰে।

**(গ) ক্রিয়া-বিশেষণ স্থানীয় খণ্ডবাক্য ঃ** প্ৰধান বাক্যটোৰ ক্রিয়া-বিশেষণ হিচাপে যি অপ্ৰধান খণ্ডবাক্য ব্যৱহাৰ হয়, তাকেই ক্রিয়া-বিশেষণ স্থানীয় খণ্ডবাক্য কোৱা হয়। যথা—

যেনে কাম কৰা, তেনে ফল পাবা।

যেতিয়া ৰাতি পুৱায়, তেতিয়াই উঠি কামত লাগিব লাগে।

যিমান শিকিবলৈ চেষ্টা কৰিবা, সিমানেই জ্ঞান হ'ব।

মই যেনেকৈ লিখিব কৈছিলোঁ, সি ঠিক তেনেকৈ লিখিছে।

**১৯ ঃ ৪ বাক্যাংশৰ ব্যৱহাৰ (Uses of Phrases) ঃ**

কৰ্তা বা সমাপিকা ক্রিয়া নথকা আৰু সম্পূৰ্ণ অৰ্থ প্ৰকাশ কৰিব নোৱাৰা দুই বা ততোধিক পদ সমষ্টিক বাক্যাংশ (Phrases) কোৱা হয়। বাক্যত ব্যৱহৃত পদৰ সংগতি অনুযায়ী পাঁচ প্ৰকাৰ উপায়ে বাক্যাংশ ব্যৱহাৰ হোৱা দেখা যায়। যথা—

**১। বিশেষ্য স্থানীয় বাক্যাংশ ঃ** যি বাক্যাংশই বাক্যত বিশেষ্যৰ কাম কৰে অৰ্থাৎ কৰ্তা, কৰ্ম আদি কাৰকত ব্যৱহাৰ হয়, সেয়েই বিশেষ্য স্থানীয় বাক্যাংশ। যথা-

মই সদায় ৰাতিপুৱা **শাৰীৰিক পৰিশ্ৰম কৰোঁ।**

বীণা মাক-পিতাকৰ **আলাসৰ লাডু।**

**২। বিশেষণ স্থানীয় বাক্যাংশ ঃ** বিশেষণৰ দৰে কোনো নাম পদক বিশেষ কৰি বুজোৱা বাক্যাংশই বিশেষণ স্থানীয় বাক্যাংশ। যথা—

হাত লৰ **স্বভাৱৰ** লোকক কোনেও ভাল নাপায়।

**চঞ্চলমনা** ছোৱালীয়ে ব্যাকৰণ শিকিব নোৱাৰে।

**৩। ক্রিয়া স্থানীয় বাক্যাংশ ঃ** বাক্যত ক্রিয়াৰ কাম কৰা বাক্যাংশকেই ক্রিয়া স্থানীয় বাক্যাংশ কোৱা হয়। যথা—

হৰিৰ বাপেকে যোৱা ৰাতি **চকু মুদিলে।**

নিজৰ পাঠৰ প্ৰতি **পিঠি নিদিবা।**

**৪। ক্রিয়া-বিশেষণ স্থানীয় বাক্যাংশ ঃ** কোনো ক্রিয়াক বিশেষ কৰি বুজোৱা বাক্যাংশই ক্রিয়া-বিশেষণ স্থানীয় বাক্যাংশ। যথা—

ব্যাকৰণ সদায় যত্নসহকাৰে পঢ়িবা।

ভাল ল'ৰা-ছোৱালীক সকলোৱে আদৰ-সাদৰকৈ মাতে।

**৫। অব্যয়যুক্ত বাক্যাংশ ঃ** বিভিন্ন পদৰ লগত অব্যয় পদ লগ লাগি গঢ়ি উঠা বাক্যাংশ। যথা—

**বিনা জ্ঞানে** কোনো সুখী হ'ব নোৱাৰে।

**বিনা পৰিশ্ৰমে** কোনো কথা শিকিব নোৱাৰে।

**১৯ ঃ ৫** বাক্যৰ প্ৰধান আৰু অপ্ৰধান অনুযায়ী বাক্যক তিনিটা ভাগত ভাগ কৰিব পাৰি। যথা—

DAILY ASSAM



সৰল বাক্য (Simple Sentence),
মিশ্ৰ বা জটিল বাক্য (Complex Sentence),
যৌগিক বাক্য (Compound Sentence),

**১৯ ঃ ৬ সৰল বাক্য ঃ**

যি বাক্যত একেটি মাথোন কৰ্তা আৰু একেটি সমাপিকা ক্ৰিয়া থাকে তাকে **সৰল** বাক্য বোলে। যথা--

অঞ্জলিয়ে কিতাপ পঢ়িছে। ৰীণাই নাচিছে। মাধৱে খেলিছিল। সিহঁতে ভাত খাব।

সৰল বাক্যৰ উদ্দেশ্য আৰু বিধেয় নানাভাবে সম্প্ৰসাৰিত হ'ব পাৰে। বিশেষণ, সংজ্ঞাবাচক শব্দ, সম্বন্ধ পদ নাইবা বিশেষণ ৰূপে ব্যৱহাৰ হোৱা বাক্যাংশ (Phrases) কৰ্তাৰ আগত বহুৱাই সম্প্ৰসাৰণ কৰিব পৰা যায়। তেনেকৈ ক্ৰিয়া পদৰ অন্যান্য কাৰক আৰু কাৰকবোৰৰ গুণবাচক বা সম্বন্ধবাচক শব্দ বা বাক্যাংশ নাইবা ক্ৰিয়া-বিশেষণ ৰূপে ব্যৱহাৰ হোৱা বাক্যাংশ বিধেয়ৰ সম্প্ৰসাৰক হ'ব পাৰে। যথা–

**দশৰথৰ পুতেক ৰামচন্দ্ৰই লংকাধিপতি ৰাক্ষস ৰাৱণক বান্দৰ সৈন্যৰ সহায়ত নিধন কৰিছিল।**

এই বাক্যত ৰামচন্দ্ৰই (কৰ্তা) কৰিছিল (সমাপিকা ক্ৰিয়া), 'ৰামচন্দ্ৰ' পদটোৰ সম্প্ৰসাৰক হ'ল– 'দশৰথৰ পুতেক', 'নিধন কৰিছিল' ক্ৰিয়াৰ কৰ্ম 'ৰাৱণক'। ৰাৱণৰ সম্প্ৰসাৰক পদ হ'ল 'লংকাধিপতি ৰাক্ষস'। ক্ৰিয়া-বিশেষণ ৰূপে ব্যৱহাৰ হৈছে 'বান্দৰ সৈন্যৰ সহায়ত'।

বাক্যটো দীঘলীয়া যদিও বাক্য গঠনত জটিলতা নাই। কেৱল বাক্যাংশকেইটি বিশেষণ আৰু ক্ৰিয়া-বিশেষণ ৰূপে ব্যৱহাৰ হৈছে।

গতিকে সৰল বাক্যত একেটি কৰ্তা আৰু একেটি সমাপিকা ক্ৰিয়া থাকে। ইহঁতৰ সম্প্ৰসাৰক বাক্যাংশও থাকিব পাৰে।

**১৯ ঃ ৭ মিশ্ৰ বাক্য ঃ**

মনৰ ভাব প্ৰকাশ কৰোঁতে মূল কথাখিনিৰ লগতে আন আন প্ৰাসংগিক কথা কোৱা হয়। মূল বা প্ৰধান একোটি বাক্যৰ লগতে এক বা একাধিক অপ্ৰধান বাক্য ব্যৱহাৰ কৰি সম্পূৰ্ণ ভাব প্ৰকাশ কৰিলে জটিল বা মিশ্ৰ বাক্য বোলে। যথা–

প্ৰথমে যিয়ে ব্যাকৰণ মনপুতি শিকে সেয়ে পাছলৈ ভাষাটো সম্পূৰ্ণৰূপে আয়ত্ত কৰিব পাৰে।

এই বাক্যটোত প্ৰধান বাক্য হৈছে (১) 'সি পাছলৈ ভাষাটো সম্পূৰ্ণৰূপে আয়ত্ত কৰিব পাৰে।' এই প্ৰধান বাক্যক আশ্ৰয় কৰি আন এটি খণ্ডবাক্য 'প্ৰথমে যিয়ে ব্যাকৰণ মনপুতি শিকে' গঢ়ি উঠিছে।

(২) 'প্ৰথমে যিয়ে ব্যাকৰণ মনপুতি শিকে।' এই বাক্যটো অকলে ব্যৱহাৰ হ'ব নোৱাৰে, অৰ্থও সম্পূৰ্ণকৈ প্ৰকাশ কৰিব নোৱাৰে, ১নং প্ৰধান বাক্যৰ অৰ্থ পৰিপূৰ্ণ কৰাত সহায়ক হৈছে মাথোন। সেই বাবে এই বাক্যটো তলতীয়া অপ্ৰধান খণ্ডবাক্য।

আন এটি উদাহৰণ—

'সৰুতে যিয়ে মনপুতি পঢ়ে আৰু বিদ্যা অৰ্জন কৰে তেওঁ জীৱনত সুখী হয়।' ইয়াৰ প্ৰধান বা মূল বাক্য হৈছে (১) 'তেওঁ জীৱনত সুখী হয়।' এই বাক্যৰ সহায়ক হিচাপে অপ্ৰধান খণ্ডবাক্য দুটা, যথা— (ক) সৰুতে যিয়ে মনপুতি পঢ়ে আৰু (খ) (সৰুতে যিয়ে) বিদ্যা অৰ্জন কৰে। 'আৰু' সংযোজক অব্যয়। এনে অপ্ৰধান বাক্য সদায় প্ৰধান বাক্যৰ উদ্দেশ্য বা বিধেয়ৰ সম্প্ৰসাৰক হয় ইয়াত 'ক' আৰু 'খ' খণ্ডবাক্য দুটা উদ্দেশ্যৰ সম্প্ৰসাৰক মাথোন।

## ১৯ ঃ ৮ যৌগিক বাক্য ঃ

যি বাক্যত দুটা বা ততোধিক সম্পূৰ্ণ স্বতন্ত্ৰ সৰল বাক্য বা মিশ্ৰ বাক্য থাকে তাকেই যৌগিক বাক্য কোৱা হয়। বিভিন্ন অব্যয় শব্দৰ সহায়ত বিভিন্ন সৰল বা মিশ্ৰ বাক্য একে লগ লাগি একেটি বাক্য গঠিত হ'লে যৌগিক বাক্যত পৰিণত হয়। এনে যৌগিক বাক্যত—

(ক) দুটা বা ততোধিক সৰল বাক্য অব্যয় পদৰ সহায়ত যোগ হ'ব পাৰে। যথা—

১। ৰূপজ্যোতিয়ে গা-পা ধুই কিতাপ-পত্ৰ ল'লে আৰু স্কুললৈ গ'ল।

২। মীনাই হঠাতে হাঁহে, হঠাতে নাচে আৰু হুৱাওৱাৰে কান্দে।

(খ) দুটা বা ততোধিক মিশ্ৰ বাক্য লগ লাগি যৌগিক বাক্য হ'ব পাৰে। যথা-

১। সি যে ব্যাকৰণ নাজানে মই নাজানো আৰু ময়ো যে নাজানো সি ক'ব নোৱাৰে।

২। সি যে ব্যাকৰণ ভালকৈ জানে এই কথা মই জানো— কিন্তু সি অংক যে ভালকৈ নাজানে এই কথা হ'লে নাজানো আৰু কেতিয়াও কাৰো মুখত সি অংক নাজানে বুলি শুনাই নাছিলোঁ।

(গ) দুটা বা ততোধিক সৰল আৰু মিশ্ৰ বাক্য যোগ হৈ যৌগিক বাক্য হ'ব পাৰে। যথা—

১। ৰীণা আৰু বীণাই সদায় কাজিয়া কৰে সঁচা কিন্তু কোনোজনীয়ে যদি কিবা বস্তু পায় দুয়ো ভগাই লয়।

২। ৰীণাই যদি বীণাক মাতে তেন্তে বীণাই গালি পাৰে আৰু মাৰিবলৈ খেদি যায়।

১৩। তুমিয়েই মোৰ কথা নুশুনা আৰু তোমাৰ ভনীয়েৰাই যে মোৰ কথা শুনিব মই কেতিয়াও বিশ্বাস নকৰোঁ।

যৌগিক বাক্যত ব্যৱহাৰ হোৱা বাক্যবোৰৰ প্ৰত্যেকে একোটি স্বতন্ত্ৰ বাক্য। অব্যয় শব্দৰ যোগেদি লগ লগাই একেটি বাক্য কৰা হয় মাথোন। সেইবাবে প্ৰত্যেক বাক্যকে নিৰপেক্ষ খণ্ডবাক্য (Co-ordinate Clause) বুলিব পাৰি। অব্যয় পদবোৰ গুচাই স্বতন্ত্ৰ বাক্য কৰিলেও অৰ্থৰ কোনো লৰচৰ নহয়। মিশ্ৰ বাক্যৰ অপ্ৰধান খণ্ডবাক্যৰ

DAILY ASSAM



দৰে আন আন বাক্যৰ অধীনো নহয়। কিন্তু মিশ্ৰ বাক্যৰ অপ্ৰধান বাক্য স্বতন্ত্ৰভাৱে ব্যৱহাৰ কৰিব নোৱাৰি, তেতিয়া সম্পূৰ্ণ অৰ্থ প্ৰকাশ নাপায়, কিন্তু যৌগিক বাক্যৰ নিৰপেক্ষ খণ্ডবাক্য কেইটিক স্বতন্ত্ৰ বাক্য হিচাপে ব্যৱহাৰ কৰিব পাৰি। তেতিয়াও অৰ্থৰ লৰচৰ নহয়। যথা—

"সি যে ব্যাকৰণ নাজানে মই নাজানো।" এই মিশ্ৰ বাক্যৰ 'মই নাজানো'- প্ৰধান বাক্য, 'সি যে ব্যাকৰণ নাজানে' অপ্ৰধান বিশেষ্য স্থানীয় খণ্ডবাক্য। ইয়াক স্বতন্ত্ৰভাৱে ব্যৱহাৰ কৰিব নোৱাৰে, কৰিলেও অৰ্থ সম্পূৰ্ণ প্ৰকাশ নাপায়। কিন্তু—

ৰাম পথাৰলৈ গৈছিল আৰু সংগীৰ লগত বল খেলিছিল। ইয়াত দুটা স্বতন্ত্ৰ সৰল বাক্য আছে।

(ক) ৰাম পথাৰলৈ গৈছিল।

(খ) (ৰামে) সংগীৰ লগত বল খেলিছিল। 'আৰু' সংযোজক অব্যয়।

তেনেকৈ, 'তুমি মোৰ কথা নুশুনা আৰু তোমাৰ ভনীয়েৰাই যে মোৰ কথা শুনিব মই কেতিয়াও বিশ্বাস নকৰোঁ।' এই বাক্যত নিৰপেক্ষ খণ্ডবাক্য দুটা।

(ক) তুমি মোৰ কথা নুশুনা।

(খ) মই কেতিয়াও বিশ্বাস নকৰোঁ।

(খ) বাক্যৰ অপ্ৰধান খণ্ডবাক্য হৈছে, (গ) 'তোমাৰ ভনীয়েৰাই যে মোৰ কথা শুনিব।' 'আৰু' সংযোজক অব্যয়। 'খ' আৰু 'গ' এটি মিশ্ৰ বাক্য।